# 2019

## ASSAMESE

## ( Major )

Paper : 6.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) গ্ৰীক আৰু লেটিনৰ লগত সংস্কৃতৰ ঘনিষ্ঠ সম্পৰ্ক থকা বুলি কোনগৰাকী ভাষাবিদে প্ৰথমে মন্তব্য কৰিছিল?

(খ) 'ধ্বনিবিজ্ঞানৰ ভূমিকা' শীৰ্ষক গ্ৰন্থখনৰ বচক কোন?

(গ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থযুক্ত গোটটোক কি বোলা হয়?

(ঘ) শব্দৰ অৰ্থোৎকৰ্ষৰ এটা উদাহৰণ দিয়া।

(ঙ) ইংৰাজী Syntax (বাক্যতত্ত্ব) শব্দটো গ্ৰীক ভাষাৰ কি শব্দৰ পৰা সৃষ্টি হৈছে?

(চ) সমাজ-ভাষাবিজ্ঞানত 'register' কথাষাৰে কি বুজায়?

(ছ) *A Study on Kamrupi : A Dialect of Assamese* নামৰ গ্ৰন্থখনৰ প্ৰণেতা কোন?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) ভাষাতত্ত্ব আৰু ঐতিহাসিক ভাষাবিজ্ঞানৰ দুটা পাৰ্থক্য লিখা।

(খ) ভাষাবিজ্ঞানৰ অধ্যয়নত ব্যৱহাৰ হোৱা যি কোনো দুবিধ বৈজ্ঞানিক যন্ত্ৰৰ নাম লিখা।

(গ) 'সাদৃশ্য'ৰ কাৰণে হোৱা শব্দৰ অৰ্থ পৰিৱৰ্তনৰ দুটা উদাহৰণ দিয়া।

(ঘ) বাক্যতত্ত্বত সুৰলহৰৰ ভূমিকা সম্পৰ্কে লিখা।

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) উচ্চাৰণকৰণ আৰু উচ্চাৰণৰ স্থান

(খ) প্ৰাকৃতিগত বৰ্ণ পৰিৱৰ্তন (Morphophonemic change)

(গ) নিকটস্থ অঙ্গ (Immediate constituent) বিচাৰ

(ঘ) বাক্যতত্ত্বত পদৰ ৰূপগত যোগ্যতা

(ঙ) উপভাষাগত ভূগোল (Dialect geography)

৪। (ক) ধ্বনিবিজ্ঞান (Phonetics) আৰু ধ্বনিতত্ত্ব (Phonology) বুলিলে কি বুজা? এই দুয়োটাৰ মাজৰ সম্পৰ্ক আৰু পাৰ্থক্যৰ বিষয়ে বিতংকৈ আলোচনা কৰা। ৫+৫=১০

*অথবা*

(খ) প্ৰাকৃতিবিজ্ঞান কাক বোলে? ভাষাবিজ্ঞানী নীডাই আগবঢ়োৱা প্ৰাকৃতি নিৰ্ণয়ৰ সূত্ৰ তিনিটা বিচাৰ কৰা।

৪+৬=১০

৫। (ক) ভাষাবিজ্ঞানৰ শাখা বিভাজন কৰি প্ৰতিটো শাখাৰ বিষয়ে চমু পৰিচয় দাঙি ধৰা। ২+৮=১০

*অথবা*

(খ) শব্দাৰ্থবিজ্ঞান (Semantics) বুলিলে কি বুজা? শব্দাৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰা সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

২+৮=১০

৬। (ক) উপভাষাবিজ্ঞানৰ চমু পৰিচয় দাঙি ধৰি উপভাষা অধ্যয়নৰ পদ্ধতি সম্পৰ্কে বিতংকৈ আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) সমাজ-ভাষাবিজ্ঞান (Sociolinguistics) বুলিলে কি বুজা? সমাজত কি কি কাৰণত ভাষাৰ ব্যৱহাৰগত পাৰ্থক্য হ'ব পাৰে, আলোচনা কৰা। ২+৮=১০

★★★